# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-SEP-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

অসমৰ ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গ আৰু নাই। ছিংগাপুৰৰ সাগৰত সাতোঁৰাৰ সময়ত আজি দুপৰীয়া জুবিন গাৰ্গ হঠাৎ অসুস্থ হৈ পৰে। তেওঁক ততালিকে ছিংগাপুৰ জেনেৰেল হাস্পতাললৈ নিয়া হয়। চিকিৎসকসকলে তেওঁক বচাবলৈ চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হয় আৰু ভাৰতীয় সময় অনুসৰি দিনৰ দুই বাজি ৪৫ মিনিটত চিকিৎসকসকলে তেওঁক মৃত বুলি ঘোষণা কৰে।

তিনি দশকৰো অধিক কাল অসমীয়া সংগীতজগতত এক প্ৰকাৰ অপ্ৰতিদ্বন্দ্বী কণ্ঠশিল্পী জুবিন গাৰ্গে অসমীয়াই নহয়, বাংলা, হিন্দী আৰু কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি থৈ গৈছে। প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি  কেৱল ৫৩ বছৰ বয়সতে মৃত্যুক সাৱটি লোৱা জুবিন গাৰ্গৰ দেহাৱসানত ৰাজ্য আৰু দেশ শোকস্তব্ধ হৈ পৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ শিল্পীগৰাকীৰ নশ্বৰ দেহ অসমলৈ ঘূৰাই অনাৰ বাবে ছিংগাপুৰৰ ৰাষ্ট্ৰদূতৰ সৈতে কথাবতৰা হৈছে বুলি জনাইছে।

প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কিৰেণ ৰিজিজু, সাংসদ গৌৰৱ গগৈ, বলিউদৰ বিশিষ্ট গায়ক, সংগীত পৰিচালক প্ৰীতম, জুবিন নটিয়ালকে ধৰি অজস্ৰ গুণমুগ্ধই গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাই শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি আজি সন্ধিয়া সমগ্ৰ ৰাজ্যতে বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত কৰিব। বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াই জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

*(বাইট ঃ নগেন শইকীয়া)*

হোজাই জিলা বাৰ্তাজীৱি সংঘই শিল্পীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

অসমীয়া সংগীত জগতত বৰ্ণিল যুগৰ সূচনা কৰা জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। ১৯৯২ চনত অনামিকা এলবামেৰে সংগীত যাত্ৰা আৰম্ভ কৰা জুবিন গাৰ্গে নৱপ্ৰজন্মক পুনৰ অসমীয়া আধুনিক গীতৰ অনুৰাগী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বঙালী ছবি **শুধু তুমি**ৰ বাবে ২০০৫ চনত তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। ২০০৭ চনত হিন্দী ছবি **গেংষ্টাৰ**ৰ **য়া আলী** শীৰ্ষক গীতটোৰ বাবে তেওঁ গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰিছিল। তদুপৰি ইংৰাজী-খাচী ছবি **ইক'জ অব ছাইলেন্স** ছবিৰ বাবে তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ৰজত কমল বঁটা লাভ কৰিছিল। আধুনিক অসমীয়া সংগীতক নতুন মাত্ৰা প্ৰদান কৰাৰ বাবে ২০১৪ চনত জুবিন গাৰ্গলৈ **ৰেনেচাঁ অসম বঁটা** আগবঢ়োৱা হয়। সংগীতৰ মহান পূজাৰীগৰাকীৰ মৃত্যুত আমি শিল্পীগৰাকীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

০০০০০

ডিব্ৰুগড়ৰ নাহৰকটিয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে আজি সমষ্টিটোৰ প্ৰায় ১২০ গৰাকী দুৰাৰোগ্য ৰোগত আক্ৰান্ত লোকক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত প্ৰায় ৯ লাখ টকাৰ চেক বিতৰণ কৰে। চেক

বিতৰণ কৰি বিধায়কগৰাকীয়ে এই ধনৰাশিৰে লোকসকলৰ চিকিৎসাৰ ক্ষেত্ৰত কিঞ্চিত হ'লেও আৰ্থিক আৰু মানসিক সকাহ প্ৰদান কৰিব বুলি মন্তব্য কৰে। চেক বিতৰণ অনুষ্ঠানত বহুকেইগৰাকী স্থানীয় সমাজ সেৱক উপস্থিত থাকে।

ooooo

সাহিত্যচাৰ্য্য নাহেন্দ্ৰ পাডুন ন্যাসৰ উদ্যোগত আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত আজি এখন বিশেষ আলোচনা সত্ৰ অনুষ্ঠিত হয়। আলোচনা সত্ৰখনত যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য জ্যোতি প্ৰসাদ শইকীয়াই **মানুহৰ চিন্তা ঃ কল্পনা প্ৰসূতৰ পৰা উত্তৰ আধুনিকতাৰ দিশে** শীৰ্ষক এটা বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটো শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ মহাদেৱ পাটগিৰি উদ্বোধন কৰে।

ooooo

সমাপ্ত